
# সৃজন

## ই-আলোচনী, দ্বিতীয় সংখ্যা, ২০২৫



**সম্পাদক**
**ড° বনলতা দাস**


# সৃজন

## ই-আলোচনী, দ্বিতীয় সংখ্যা, ২০২৫

সম্পাদক

ড° বনলতা দাস

পণ্ডিত দীনদয়াল উপাধ্যায় আদর্শ মহাবিদ্যালয়,
তুলুঙীয়া, বঙাইগাঁও



# প্ৰশস্ত্যঞ্জলি

অসম তথা বিশ্বৰ হিয়াৰ আমঠু
জনতাৰ শিল্পী জুবিন গাৰ্গৰ
পবিত্ৰ স্মৃতিত...

**জন্মঃ ১৮ নৱেম্বৰ, ১৯৭২**
**মৃত্যুঃ ১৯ ছেপ্তেম্বৰ, ২০২৫**

# সৃজন

ই- আলোচনী, দ্বিতীয় সংখ্যা, ২০২৫ বৰ্ষ

**সম্পাদনা –কক্ষ**

উপদেষ্টা- ড° ফটিক চন্দ্ৰ কলিতা (অধ্যক্ষ, প.দী.উ.আ.ম., তুলুঙীয়া)

সম্পাদক- ড°বনলতা দাস (বিভাগীয় প্ৰধান, অসমীয়া বিভাগ)

সদস্য- বৰ্ণা শৰ্মা (সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ)

বনশ্ৰী ডেকা, গ্ৰন্থাগাৰিক

মৃগেন দাস (অংশকালীন সহকাৰী অধ্যাপক, অসমীয়া বিভাগ)

জোনমণি ৰায় (পঞ্চম ষান্মাসিক, স্নাতক কলা শাখা)

মৰমী ৰায় (তৃতীয় ষান্মাসিক, স্নাতক কলা শাখা)

প্ৰসেনজিৎ বৰ্মন (তৃতীয় ষান্মাসিক, স্নাতক কলা শাখা)

বেটুপাতঃ ধ্ৰুমন দাস, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

Office of the Principal
পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়, তুলুঙীয়া
PANDIT DEENDAYAL UPADHYAYA ADARSHA MAHAVIDYALAYA, TULUNGIA
(Govt. Model College Recognised u/s 2(f) of the UGC Act 1956)
Accredited by NAAC with B++ grade
উত্তৰ শালমাৰা::বঙাইগাঁও::অসম:: ৭৮৩৩৮৩
North Salmara:: Bongaigaon::Assam::783383
স্থাপিত-২০১৭,Estd-2017

## -শুভেচ্ছা বাণী-

সাহিত্য হৈছে ব্যক্তিবিশেষৰ সৃষ্টিশীল ধ্যান-ধাৰণাৰ কলাত্মক প্ৰকাশ।ইয়াৰ মাজেৰে মানৱ মনৰ অনুভূতি সমূহে ন-ন ৰূপেৰে প্ৰকাশ লাভ কৰিবলৈ সক্ষম হয়।সাহিত্যৰ মাজেৰে সমাজ-জীৱন প্ৰতিফলিত হয়। এনে প্ৰেক্ষাপটত আমাৰ আলোচনীসমূহে বিশেষ ভূমিকা গ্ৰহন কৰাতো লক্ষ্যণীয়।আলোচনী সমূহৰ মাজৰে ব্যক্তিবিশেষে স্বকীয় চিন্তাধাৰাক কবিতা, গল্প, প্ৰবন্ধ, চিত্ৰাংকন আদি বিভিন্ন ৰূপেৰে সজাই-পৰাই প্ৰকাশ কৰাৰ সুযোগ লাভ কৰে।এনে এক সৃষ্টিশীল চিন্তাধাৰাৰ পটভূমিতে আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ই-আলোচনী "সৃজন"-ৰ দ্বিতীয় সংখ্যাটি প্ৰকাশৰ প্ৰস্তুতি চলোৱা বুলি জানিব পাৰি মই আনন্দ অনুভৱ কৰিছোঁ। ই-আলোচনীখনৰ মাজেৰে ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকাসকলে নিজৰ সৃষ্টিশীল চিন্তা-চৰ্চাসমূহক সাহিত্যৰ বিভিন্ন ৰূপেৰে সজাই সমাজৰ আগত উপস্থাপন কৰিবলৈ সুবিধা লাভ কৰিছে। আলোচনীখনে শৈক্ষিক, সাহিত্যিক তথা সামাজিক দিশৰ উন্নয়নত সৰ্বতোপ্ৰকাৰে সহযোগিতা কৰিব বুলি মই আশাবাদী। শেষত, ই-আলোচনীখনৰ লগত জড়িত সম্পাদক, সম্পাদনা-কক্ষৰ সমূহ সদস্যবৃন্দৰ লগতে লেখক-লেখিকাসকললৈও আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

ধন্যবাদেৰে-

(ড° ফটিক চন্দ্ৰ কলিতা)
অধ্যক্ষ,
প.দী.উ.আ.ম, তুলুঙীয়া, বঙাইগাঁও

# সম্পাদকীয় একলম...

সাম্প্ৰতিক সময় হৈছে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সময়। যিহেতু মানৱ সমাজ প্ৰগতিশীল, সেয়ে বিজ্ঞান প্ৰযুক্তিৰ ঢৌত নিজকে খাপ খুৱাই উটি নোযোৱাকৈ ভাৰসাম্য ৰক্ষা কৰি গোলকীকৰণ পৃথিৱীত ছাত্ৰ –ছাত্ৰীক এই বাটেৰে আগুৱাই নিয়াৰ অসমীয়া বিভাগৰ এইয়া ক্ষুদ্ৰতম প্ৰয়াস। ইয়াৰ মাধ্যমেদি আজিৰ নৱ প্ৰজন্মই ইংৰাজী ভাষাৰ সমান্তৰালকৈ অসমীয়া ভাষাতো স্বকীয় চিন্তাশীল সৃষ্টিৰাজিক প্ৰকাশ কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। ই- আলোচনীখনত অতিথি লেখা কেইটিমানৰ লগতে আমাৰ মহাবিদ্যালয়ৰ শিক্ষক – ছাত্ৰৰ লেখা প্ৰকাশ পাইছে। ভৱিষ্যতেও এনেদৰে সকলোৰেপৰা সহায়-সহযোগিতা পাম বুলি আমি আশাবাদী।


শেষত, প্ৰতিগৰাকী লেখকলৈ শুভেচ্ছা জনাইছোঁ আৰু শ্ৰদ্ধাৰ পঢ়ুৱৈ সমাজে ’সৃজন’ৰ প্ৰথম সংখ্যাটিৰ দৰে এই সংখ্যাটিও আদৰি ল’ব বুলি আশা ৰাখিছোঁ।

শ্ৰদ্ধাৰে-

বনলতা দাস

(ড° বনলতা দাস)
বিভাগীয় প্ৰধান, অসমীয়া বিভাগ
প.দী.উ.আ.ম., তুলুঙীয়া

# প্রবন্ধ শিতান



# জীৱন আৰু সপোন

ড° দিপালী দাস ডেকা
অৱসৰপ্ৰাপ্ত সহযোগী তথা মুৰব্বী অধ্যাপিকা,
প্ৰাণী বিজ্ঞান বিভাগ, টিহু মহাবিদ্যালয়

মৰমৰ ছাত্ৰ/ছাত্ৰীসকল,

তোমালোকৰ বনলতা বাইদেউয়ে তোমালোকলৈ কিবা এটা লিখিবলৈ কোৱা বহুদিনেই হ'ল। কিনো লিখোঁ ভাবোতেই তিনি মাহ পাৰ হ'ল। বহুত ভাবিচিন্তি অকণমান কিবা এটা লিখিবলৈ লৈছো। পাৰিলে এবাৰ পঢ়ি চাবা।

তোমালোকে কলেজলৈ আহোঁতে একোটা বেগ লৈ আহা যে তাত কিতাপ কলম এইবোৰ থাকে নহয় নে? মইও তেনেদৰেই ভাবিছিলোঁ। কিন্তু এগৰাকী মহিলাই মোক এই কথাটো নতুনকৈ শিকালে। আচলতে সেই বেগটোৰ ভিতৰত জীৱনৰ লক্ষ্য সোমাই থাকে। যেতিয়া আমি সৰু হৈ থাকোঁ তেতিয়া আমি একো বুজি নাপালোঁ আৰু আমি ডাক্তৰ,ইঞ্জিনিয়াৰ ,পাইলট ইত্যাদি সব হ'ব খোজোঁ। কিন্তু পিছলৈ সেইবোৰ আমি নজনাকৈয়ে সলনি হৈ যায়। সৰুতে আমাৰ মা - দেউতাই পঢ়াশালিলৈ লৈ যাওঁতে দেখা প্ৰথম সপোনটো নিশ্চিতভাৱে ভাল মানুহ কৰাৰ সপোন। সেই ভাল মানুহৰ সপোনটোত লুকাই থাকে আচাৰ - ব্যৱহাৰৰ পৰা আৰম্ভ কৰি ভৱিষ্যত জীৱনত সুন্দৰকৈ চলিব পৰা কিছুমান চিন্তা। যেতিয়া আমি অলপ ডাঙৰ হওঁ, তেতিয়া নিজেই বুজিব পৰা হৈ যাওঁ আচলতে আমাৰ কি ভাল লগা হয়। তেনেদৰেই আমাৰ সপোনবোৰ কিতাপৰ সংখ্যা বঢ়াৰ লগে লগে ডাঙৰ হৈ গৈ থাকে। কিন্তু আকাংক্ষাবোৰ থাকিলেই নহ'ব, তাক সঁচা কৰিবলৈ যৎপৰোনাস্তি চেষ্টাও কৰিব লাগিব। কিন্তু আমাৰ মাজৰ কিছু সংখ্যকে নিজৰ মন পিছলায় আৰু চিন্তাবোৰ বেলেগ হ'বলৈ ধৰে। গতিকে জীৱনটো বিশৃংখল হ'বলৈ ধৰে। তেতিয়াই নিচাত্মিকতাত ভোগে আৰু বিভিন্ন অসামাজিক কামত লিপ্ত হয় অথবা আত্মঘাতী হয়। লগতে নিজৰ পৰিয়ালক দি থৈ যায় পাহৰিব নোৱাৰা দুখ।

সেই কাৰণে সপোন কঢ়িয়াই ফুৰা সৰুকালৰ স্কুল বেগখনৰ কথা নাপাহৰিবা, বৰং সেইখনকেই সাৰথি কৰি নতুন সপোন দেখিবলৈ যত্ন কৰিবা আৰু নিজৰ ভৱিষ্যত সুন্দৰকৈ সজাবা।

আশা কৰোঁ মোৰ কথাখিনি তোমালোকে বুজি পাইছা।❤️

# নব্য প্ৰযুক্তি আৰু ন-প্ৰজন্ম

-ড°মৰমী বৰঠাকুৰ তালুকদাৰ
অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক
অসমীয়া বিভাগ,
অভয়াপুৰী মহাবিদ্যালয়, বঙাইগাঁও

জীৱন-জগত সকলো পৰিৱৰ্তনৰ সমষ্টি। সময়ৰ আকাশত দুপাখি মেলি পৰিৱৰ্তন পখী উৰেহে উৰে...। পৰিৱৰ্তনেই প্ৰকৃত সত্য পৰিৱৰ্তনশীল জগতত। বিকাশৰ বাবেই পৰিৱৰ্তন জৰুৰী। এক কথাত পৰিৱৰ্তন জগতৰ ধৰ্ম। আমি মাথোঁ পৰিৱৰ্তনৰ শুভদিশ স্বীকাৰ কৰি আগবাঢ়িলে প্ৰগতিৰ দুৱাৰো খোল খাব। এই ক্ষেত্ৰত সমাজৰ সকলোৰে দায়িত্ব থাকে। বিশেষভাৱে অগ্ৰজসকলৰ। কাৰণ জীৱন বয়সৰ ভিন্ন অভিজ্ঞতাই অভিজ্ঞ কৰা অগ্ৰজৰ দিহা –পৰামৰ্শই ন –প্ৰজন্মক দিব পাৰে পোহৰৰ বাট...।

নব্য-প্ৰযুক্তিও পৰিৱৰ্তনৰ ফলত সৃষ্টি হোৱা বিষয়। মানৱ সৃষ্ট প্ৰযুক্তিয়ে সমাজৰ বিভিন্ন দিশত সহায় কৰি আহিছে। সামাজিক, সাহিত্যিক, অৰ্থনৈতিক, প্ৰাকৃতিক আদি বিভিন্ন ক্ষেত্ৰত প্ৰযুক্তিয়ে প্ৰভূত সহায় কৰিছে। সমাজক, মানুহক নানা ধৰণেৰে প্ৰভাৱিত কৰা প্ৰযুক্তি শব্দৰ অৰ্থ আমি পাওঁ এনেধৰণেৰে-

“Technology means the practical application of Science and Engineering, which is used to solve a problem or perform a talk.’’

অৰ্থাৎ প্ৰযুক্তি বিদ্যা মানে হ’ল বিজ্ঞান আৰু প্ৰ কৌশল বিদ্যাৰ ব্যৱহাৰিক প্ৰয়োগ, যিকোনো সমস্যাৰ সমাধান বা কাৰ্য সম্পাদনাৰ বাবে ইয়াক ব্যৱহাৰ কৰা হয়। (Google)

মানৱ সৃষ্ট এই বিষয় বিশেষে পৃথিৱীৰ তথা মানৱ জীৱনৰ ৰূপেই সলনি কৰি দিছে।

নব্য-প্ৰযুক্তি বুলি শিৰোনাম আহিলেও ক’ব লাগিব যে প্ৰথম অৱস্থাত সকলো কাম নতুন হৈ থাকে। লাহে লাহে পৰিৱেশ-পৰিস্থিতিত পৰি মানুহে ন ন সৃষ্টিধৰ্মিতাৰে সকলোতে নতুনত্ব আনিব বিচাৰে বাবেই পৰিৱৰ্তন আৰম্ভ হ’ল। প্ৰাচীন লোক সমাজৰ যি ছবি সেইয়া আজি আমি জানো আমি দেখা পাওঁ? গছৰ পাতেৰে লজ্জা নিবাৰণ কৰা, চিকাৰ কৰি কেঁচা মাংস খোৱা, সেই সময়ৰ আদিম সমাজৰ পৰিৱৰ্তন সেই হৈ এতিয়া আমি যিখন সমাজ পাইছো তাত সন্নিবিষ্ট হৈছে বিভিন্ন নব্য-প্ৰযুক্তি...!

সৃষ্টিশীলতা মানৱ জীৱনৰ অনন্য সমল। সকলোৱে সৃষ্টিক্ষেত্ৰত আগভাগ ল’ব নোৱাৰিলেও বহুতৰে থাকে সৃষ্টিধৰ্মিতা গুণ- সেয়েইতো জুইৰ ব্যৱহাৰ কৰি খাদ্য কেঁচাই খোৱাৰ পৰা বিৰত থাকি সোৱাদযুক্ত কৰিব পৰা হ’ল। চকাৰ ব্যৱহাৰ যাত্ৰাৰ সহায়ক হ’ল। বায়ুমণ্ডল এৰি মানুহে যাব পৰা হ’ল মহাকাশলৈ। এতিয়াতো চন্দ্ৰতো মানুহে মাটি কিনিব পৰা হ’ল...। এয়া নহয় জানো প্ৰযুক্তিৰ সুফল...। আমাৰ দৈনন্দিন জীৱনৰ প্ৰতি খোজতে এতিয়া নব্য প্ৰযুক্তিৰ সমাহাৰ আৰু শৈক্ষিক, সামাজিক, সাংস্কৃতিক, শৈল্পিক আদি দিশত নব্য প্ৰযুক্তিয়ে দিছে ন ন বিশেষত্ব। জীৱন-জগত সামৰি সামগ্ৰিক দিশত এতিয়া প্ৰযুক্তিৰ জয় জয় ময় ময়। আমি মাথো শুভ ফল দিয়া নব্য প্ৰযুক্তিকহে স্বীকাৰ কৰিব লাগিব। ধ্বংসকামী প্ৰযুক্তি যিমানেই নতুন নহওক লাগিলে, সেইয়া আমাৰ কাৰো কামৰ নহয়।

প্ৰথম অৱস্থাত সকলোৱেই নতুন হৈ থাকে। পাছততহে পুৰণি হয়। সময়ে আমাক কৰে নতুন আৰু সময়েই আমাক কৰে পুৰণি। বয়স বঢ়াৰ লগেই জীৱনৰো বয়স হয়,বয়স হয় অভিজ্ঞতাৰ। আমাৰ বয়সীয়া অভিজ্ঞতাই নতুনক দি যায় নানা অভিজ্ঞতাৰ বৰ্ণময়ী সম্ভাৰ...!

এই নতুন চামকেই আমি নতুন প্ৰজন্ম বুলি ধৰো, যিয়ে জীৱনৰ আৰম্ভণি তথা বুজা হোৱাৰ পৰাই অগ্ৰজসকলৰ ভাল আদৰ্শ গ্ৰহণ কৰে। মানুহৰ বাদেও অন্য বিষয়ো আছে যাৰ লগত এওঁলোকৰ থাকে সম্পৰ্ক।

নব্য প্ৰযুক্তিৰ প্ৰতি নৱ প্ৰজন্মৰ আকৰ্ষণ স্বাভাৱিক আকৰ্ষণ। এই বয়সত নতুন বিষয়বস্তুৰ প্ৰতি থকা কৌতুহলে একে আকৰ্ষণ ক্ৰমান্বয়ে বঢ়ায়। সমাজৰ পৰিৱৰ্তনৰ কথা আমি ইতিমধ্যে কৈছোৱেই। এই পৰিৱৰ্তনৰ প্ৰতি নতুন প্ৰজন্মৰ আকৰ্ষণ থাকিবই কাৰণ, ডেকা-গাভৰু বয়সৰ সৃষ্টিধৰ্মিতাই, কৌতুহল প্ৰৱণতাই এনে কৰাত সহায় কৰে। আমাৰ দিনত যিবোৰ গছৰ ঠাৰিৰে দাঁত ব্ৰাছ কৰাৰ যি পদ্ধতি আছিল আজি জানো আছে? প্ৰযুক্তিগত পদ্ধতিৰে ন-কৌব শলেৰে ব্ৰাছ তৈয়াৰ হ'ল আৰু আমাৰ সুবিধা হ'ল।

সুবিধা যিমানেই হ'ব, মানুহে সিমানেই তেনে সুবিধা থকা বিষয়বস্তু গ্ৰহণ কৰিব। আজিৰ যুগ প্ৰতিযোগিতাৰ যুগ। আগবাঢ়িবলৈ হ'লে সুবিধা লৈ আগবাঢ়িব লাগিব। মাথো চাব লাগিব ভাল দিশবোৰ। প্ৰযুক্তিয়ে বহুত দিছে যদিও বহুত নিছেও। বঙালী ভাষাত এষাৰ কথা পাইছিলো-'বিজ্ঞান দিয়েছে অনেক, নিয়েছে আবেগ!' হৃদয় গভীৰৰ হুমুনিয়াহ যন্ত্ৰই জানো বুজি পায়? আমাৰ সময়ত মোবাইলৰ পৰিৱৰ্তে টেলিফোন আছিল-য'ত চাই চাই আজিৰ মোবাইলৰ পৰা কথা পাতিব পৰা নাছিলো। চিঠি লিখি প্ৰিয়জন –পৰিয়ালৰ খবৰ লৈছিলো ডাকঘৰৰ যোগেদি।ৰ ৰঙা ডাক বকচটোৰ প্ৰতি আমাৰ আজিৰ এই অনন্য আবেগ। পাতল হালধীয়া ৰঙৰ পোষ্টকাৰ্ড, আকাশী ৰঙৰ ইনলেণ্ড কাৰ্ড, এইবোৰ আছিল আমাৰ যৌৱন-লগৰী। লাহে লাহে টি.ভি., কম্পিউটাৰ আদি আহিল-প্ৰযুক্তিবিদ্যাৰ এনে ন ন সৃষ্টিৰে সমাজ ভৰিল। পাছে আমি কোনে কেনেভাৱে গ্ৰহণ কৰিছো, সেইটো কিন্তু বহুত গুৰুত্বপূৰ্ণ কথা।

আজিৰ গোলকীয় পৃথিৱীত সকলো সহজ হ'ল। পৃথিৱীখন হাতৰ মুঠিতে চাব পৰা হ'ল। 'A.I'-(কৃত্ৰিম বুদ্ধিমত্তা)ৰ দ্বাৰা সকলো কৰিব পৰা হ'ল। মানুহৰ গুৰুত্ব যন্ত্ৰই ক্ৰমান্বয়ে নোহোৱা কৰিছে। সকলো কাম যন্ত্ৰৰদ্বাৰাই হয়। যেনে- পথাৰ চহোৱা, ধান ৰোৱা, কটা,মৰণা মৰা-এইবোৰতো আগতে সকলো মানুহে কৰিছিল। এতিয়া, দৈনন্দিন জীৱনৰ লগতে সামাজিক জীৱনত যন্ত্ৰই এনেকৈ আগ্ৰাসী ৰূপ লৈ আমাক নিয়ন্ত্ৰণ কৰিছে সেয়া ভাবিব লগীয়া নহয়নে? যন্ত্ৰৰ জানো হৃদয় আছে? প্ৰকৃত জীৱনাভিলাসী ব্যক্তি হৃদয়ানুৰাগী...।

আমি আশা কৰিছো আমাৰ সুবিধাৰ বাবে আমি ভাল দিশ চিন্তা কৰি নানা প্ৰযুক্তিৰে আমি আগবাঢ়িম। ন-প্ৰজন্মই সামাজিক, শৈল্পিক, অৰ্থনৈতিক, ৰাজনৈতিক, আদি বিভিন্ন দিশত ব্যৱহাৰ কৰিব পৰা ভিন্ন প্ৰযুক্তি সৎ পদ্ধতিৰে সততাৰে ব্যৱহাৰ কৰি নিজৰ লগতে মানৱ সমাজ, প্ৰকৃতি তথা জীৱ সমাজৰো উপকাৰ কৰিব বুলি একান্তই বাঞ্চা কৰিলোঁ। নতুনৰ জয় হওক পুৰণিৰ সহযোগত।

.....................

# মাকোৰ... চকুলো

বৰ্ণা শৰ্মা
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ
প.দী.উ.আ.মহাবিদ্যালয়, তুলুঙীয়া

অ'ই ৰঙিলী তই ইমান সোনকালে যাৱয়ে নে? হাতেৰে তাঁত শালখনত মাকো ডাল মাাৰি মাৰি জোনালীয়ে মাতষাৰ লগালে।অ' যাওঁ দে! ঘৰত কাম এসোপা পৰি আছে নহয়।অই জোনালী ৰচোন তই হ'বলা এতিয়াও প্ৰীতমৰ সেই ষোড়শী প্ৰেমিকা জনীয়ে হৈ আছ? কিয় সুধিলি ৰঙিলী? নহয় মানে -এই বিয়াৰ ১৪ বছৰৰ পিছতো যে তই তোৰ চেনেহৰ চেনাইধনক বিহুৱানখন দিবলৈ এনেদৰে দিনে ৰাতিয়ে হাতেৰে মাকো মাৰি মাৰিয়ে তৎ পোৱা নাই যে সেয়ে সুধিছো আকৌ? কি নো ক'ম আৰু ৰঙিলী ...বছৰৰ বিহুটিত তাক যে মই নিজ হাতেৰে বোৱা বিহুৱানখন দিবলৈ নাপালে মনটোৱে কিবাখন কৰি উঠে অ'।দে দে ঘনাই ঘনাই মাকো মাৰি যা জোনালী তোৰ চেনাই ধনচোন দূৰণিৰ পৰা আহি পাবৰে হ'ল -এইবুলি ৰঙিলীয়ে খিলখিলাই হাঁহি মাৰি ঘৰলৈ বুলি বাট বুলোতেই জোনালীৰ ফোনটো বাজি উঠিল।তাই ফোনটো কানত লগাই হেল্ল বুলি কোৱা মাত্ৰকেই তাইৰ হাতৰ মাকো মাটিত সৰি পৰিল।জোনালী...অ'ই জোনালী-ৰঙিলীয়ে জোনালীৰ গাত ধৰি এনেদৰে জোৰ জোৰকৈ মাতষাৰ দিয়াতহে তাই সম্বিত ঘূৰাই পালে আৰু লগে লগে তাই উচুপি উঠিল! ৰঙিলী অ' মই আজিৰ পৰা কাৰ বাবেনো ঘনাই ঘনাই মাকো মাৰিম অ' ! মোৰ চেনাই ধন যে আৰু কেতিয়াও উভতি নাহে।দেশৰ বাবে যুঁজি সি শ্বহীদ হ'ল বোলে অ'! এনেতে দূৰৈৰ পৰা কোনোবা অচিন কণ্ঠস্বৰ ভাঁহি অহা শুনা গ'ল..... “খিতিক খিতিক কৰি অ'ই লাহৰী মাকো মাৰি তাতে নো বৈ আছিলা...আমি গৈ ওলালো তাত লাহৰী বহিবলৈ পীৰা পাৰি দিছিলা.....”।।

# দেৱকান্ত বৰুৱাৰ ’মনোৰমা’ কবিতাটিৰ এক আলোচনা

-মৃগেন দাস
অংশকালীন সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
প.দী.উ.আ.ম., তুলুঙীয়া, বঙাইগাঁও

অসমীয়া ৰোমাণ্টিক কাব্য সাহিত্যৰ অন্তিম তৰংগৰ কবিসকলৰ ভিতৰত শ্ৰেষ্ঠ কবি গৰাকীয়ে হ’ল দেৱকান্ত বৰুৱা। জোনাকী আলোচনীৰ পাতত আৰম্ভ হোৱা অসমীয়া ৰোমাণ্টিক কবিতাই দেৱকান্ত বৰুৱাৰ হাতত পৰিণতি লাভ কৰা দেখা যায়। তেখেতে ’আমি দুৱাৰ মুকলি কৰো‘ কবিতাটিৰ জৰিয়তে অসমীয়া কাব্য সাহিত্যত আধুনিক কবিতাৰ শুভাৰম্ভণি ঘটায়। তেওঁ যিহেতু ৰোমাণ্টিক তৰংগৰ অন্তিম স্তৰৰ কবি আৰু আধুনিক অসমীয়া কবিতাৰ বাটকটীয়া সেই হেতুকে তেওঁ ‘দোমোজাৰ কবি’ৰূপে কাব্য জগতত পৰিচিত লাভ কৰিছে। তাৰোপৰি বিভিন্নজন সমালোচকে তেখেতক ’কলংপৰীয়া কবি’ আৰু ’পেটমচা কবি’ বুলিও কৈছে। এইগৰাকী কবিৰ একমাত্ৰ কাব্য সংকলনখন হ’ল ’সাগৰ দেখিছা’ (১৯৪৮)। ইন্দ্ৰিয়গ্ৰাহ্য বাস্তৱ অনুভূতিৰ প্ৰকাশ তেওঁৰ কবিতাৰ প্ৰধান বৈশিষ্ট্য।

সমালোচকে ড°সত্যেন্দ্ৰনাথ শৰ্মাই দেৱকান্ত বৰুৱাৰ কবিতা সম্পৰ্কত কৈছে -“দেৱকান্তৰ কবিতাৰ ভাব আৰু প্ৰকাশভংগী আন কবিৰ পৰা সম্পূৰ্ণ স্বতন্ত্ৰ তেওঁৰ কবিতাত মানুহৰ বীৰ্য আৰু নিয়তিৰ জয় ধ্বনিত হৈছে। জীৱনৰ নশ্বৰতা, অসহায়তা আৰু সঘন সংগ্ৰামৰ ক’লা ডাৱৰ ভেদ কৰি প্ৰেমৰ যি ক্ষণিক প্ৰভাই জীৱন উজলাই তোলে তাকেই স্থায়ী কৰাৰ প্ৰয়াস দেৱকান্ত বৰুৱাৰ কবিতাত দেখা যায়। আন কথাত মানৱীয় প্ৰেমৰ গৌৰৱ ঘোষণা তেওঁৰ কবিতাৰ প্ৰধান সুৰ। (অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ.-৩৭৩)। তাৰোপৰি প্ৰখ্যাত ইংৰাজী কবি ৰবাৰ্ট ব্ৰাউনিঙৰ কবিতাৰ নাটকীয় স্বৰ্গতোক্তিৰ প্ৰভাৱো তেওঁৰ কবিতাত প্ৰতিফলিত হৈ উঠা দেখা যায়।

দেৱকান্ত বৰুৱাৰ কবিতাসমূহৰ ভিতৰত এটা উল্লেখযোগ্য ৰোমাণ্টিক কবিতা হৈছে – মনোৰমা। কবিতাটিৰ মাজেৰে কবিৰ দেহজ বা ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেমৰ অনুভূতিৰ প্ৰকাশ পাই উঠিছে। ৰোমাণ্টিক কবিসকলে প্ৰেয়সীৰ দেহত প্ৰকৃতি জগতৰ সমস্ত ৰূপ দেখা পোৱাৰ দৰে দেৱকান্ত বৰুৱাৰ ’মনোৰমা’ এই কবিতাটো প্ৰকৃতিৰ মনোমোহা সৌন্দৰ্যৰে মহিমামণ্ডিত হৈ উঠিছে।স

কবিৰ প্ৰেয়সী হ’ল মনোৰমা। মনোৰমাৰ মাজত কবিয়ে বিচাৰি পাইছে তেওঁৰ প্ৰেয়সী অকল প্ৰকৃতিৰ জীয়ৰীয়ে নহয় বৰং তেওঁ তেজ-মঙহৰে গঢ়া এগৰাকী সুন্দৰী গাভৰু ছোৱালীৰ ৰূপত। সেইবাবে ৰূপহী মনোৰমাৰ দুচকুত যেন সপোনৰ মায়া জ্বলমলাই উঠা কবিয়ে দেখিবলৈ পাইছে আৰু সেই মায়াৰে যেন প্ৰেয়সীৰ মুখমণ্ডল জোনৰ পোহৰত অধিক মায়াময় কৰি তুলিছে। সেয়ে কবিয়ে এনেদৰে কৈছে-

“চকুত তোমাৰ সপোনৰ মায়া
মুখত জোনৰ বিমল ছাঁ,

নিশাহত যেন কোমল ঘাঁহৰ
সুৰভিৰ পূৰ মৃদুল বা।”

তাৰ পিছৰ পংক্তিটোত কবিয়ে তেওঁৰ প্ৰেসয়সী মনোৰমালৈ প্ৰশ্ন উত্থাপন কৰিছে কোনেনো তাইৰ ক’লা চুলিকোছাত আঁউসী নিশাৰ অন্ধকাৰৰ ৰোল সানি দিলে ইয়াতেই যেন কবিৰ দেহজ প্ৰেমৰ এক অনুভূতি প্ৰকাশ পাই উঠিছে। লগতে কবিয়ে আকৌ মনোৰমালৈ প্ৰশ্ন কৰিছে যে কেতিয়ানো তেওঁৰ প্ৰেয়সীজনীয়ে শিকিলে কবিৰ মন উৰুঙা কৰি থৈ যোৱা ৰূপহী মনোৰমাজনীৰ কণ্ঠত সেই কপৌ চৰাইৰ ৰিঙনিৰ সুৰ। এনে নিমজ বৰ্ণনাৰ মাজেৰে কবিৰ ৰোমান্টিকতাৰ সুৰ সুন্দৰভাৱে কবিতাটিত প্ৰতিফলিত হৈছে। কবিয়ে সেয়ে কবিতাটিত এনেদৰে কৈছে এনেদৰেঃ

“ক’লা চুলিটাৰি, কোনে সানি দিলে
আঁউসী নিশাৰ সুষমা তাত ?
কেতিয়া শিকালে কপৌৱেনো তাৰ
মন কিবা কৰা উৰুঙা মাত?”

কবিতাটিৰ তৃতীয় স্তৱকটিত কবিয়ে মনোৰমাৰ মাজেৰে প্ৰকৃতি জগতৰ বৰ্ণনা দিবলৈ চেষ্টা কৰিছে। ইয়াত কবিয়ে কৈছে যে আসগ বাৰিষাৰ ৰিব্ ৰিব্ বতাহ জাঁকৰ দৰে কবিৰ প্ৰেয়সী গৰাকীৰ হাঁহি। সেই হাঁহিৰ অন্তৰালত আছে এক অফুৰন্ত শক্তি যাৰ বাবে কলঙৰ জলৰাশিত হাঁহিৰ উলাহত নাচি উঠিছে আৰু সেই হাঁহিতে যেন প্ৰাণ পাই কলঙৰ বুকুত আৱৰি থকা বিসহ মেটেকাবোৰেও পাহি মেলি নাচি উঠিছে। সেয়ে কবিয়ে বৰ্ণনা দিছে –

“আগ বাৰিষাৰ বা ৰিব্ ৰিব্
বতাহৰ দৰে তোমাৰ হাঁহি,
উলাহতে তাৰ নাচিছে কলং
বিহ মেটেকাই মেলিছে পাহি।“

ৰোমাণ্টিক কবিতাৰ এটা প্ৰধান বৈশিষ্ট্য হ’ল- প্ৰিয়াৰ ৰূপ আৰাধনা বা বিশ্ব প্ৰকৃতিত প্ৰিয়াৰ ৰূপ দৰ্শন। এই বৈশিষ্ট্যটো কবিতাটিৰ চতুৰ্থ স্তৱকটিত সুন্দৰভাৱে প্ৰতিফলিত হৈ উঠিছে। ইয়াত কবিয়ে তেওঁৰ প্ৰেয়সীক এগৰাকী কৰ্মঠ নিপুণ শিপিনী ৰূপত অংকন কৰি দেখুৱাইছেস। তেওঁৰ প্ৰেয়সীজনীৰ হাতৰ দহোটা আঙুলি যেন চঁপা কলি বুলি কৈছে আৰু পদুম ফুল যেনেদৰে ধুনীয়া অৰ্থাৎ পদুম ফুলৰ ঠাৰিৰ দৰে প্ৰিয়াৰ হাত দুখনি বুলি কবিয়ে কৈছে। তাৰোপৰি প্ৰিয়াৰ সেই দুহাতৰ পৰশত তাঁতশালৰ দোৰপতি নাচি উঠিছে আৰু মাকোটিৰ গাত যেন তত নাইকিয়া হৈ পৰিছে, সেয়ে কবিতাংশত কবিয়ে এনেদৰে সাৱলীলভাৱে দাঙি ধৰিছে-

“দহোটি আঙুলি চঁপাকলি যেন
পদুমৰ ঠাৰি দুখনি দুখনি হাত,
ছুই দোৰপতি থৰক্ বৰক্
তত নাইকিয়া মাকোৰ গাত!”

অন্তিম স্তৱকটিত ভাঁহি উঠিছে কবিৰ হৃদয় মৰুক জীপাল কৰি তুলিব পৰা একমাত্ৰ শক্তি সেয়া হৈছে নাৰী প্ৰেম আৰু এই প্ৰেম কবিয়ে প্ৰেয়সীৰ দৈহিক সৌন্দৰ্যৰ মাজত বিচাৰি পাইছে৷ নিপোটলৰ দৰে বুকু, লাটুমনিৰ দৰে ওঁঠ আৰু ডালিম গুটিৰ দৰে দাঁতৰ পাৰিৰ গৰাকী তেওঁৰ সৌন্দৰ্যময়ী প্ৰিয়া৷ শেষত প্ৰিয়াক তেওঁ ’সখী’ সম্বোধন কৰি মৰুভূমিসদৃশ পৃথিৱীখনত কবিতাটিৰ এটি সুঁতি বুলি কবিয়ে ক’ব বিচাৰিছে৷ মৰুভূমিৰ দৰে উকা জীৱনটোত কবিয়ে প্ৰিয়াৰ পৰশত যেন উজ্জীৱিত হৈ উঠিব বুলি আশা প্ৰকাশ কৰিছে৷ কবিতাংশৰ বৰ্ণনাৰ মাজেৰে সেই ছবিখন সুন্দৰ ৰূপত ভাঁহি উঠিছে এনেদৰে-

“নিপোটল বুকু, লাটুমণি ওঁঠ
দুয়োপাৰি দাঁত ডালিম গুটি,
মৰুময় মোৰ জীৱনত সখী !
তুমি কবিতাৰ একেটি সুঁতি৷”

এনেদৰে আলোচনা কৰি চালে পৰিশেষত দেখিবলৈ পোৱা যায় যে, এটা ৰোমাণ্টিক ভাবাবেগেৰে পৰিপূৰ্ণতা লাভ কৰা কবিতা হিচাপে কবিতাটোৰ নামাকৰণত কবিয়ে সিদ্ধহস্ত হৈছে৷ মনোৰমা শব্দৰ আভিধানিক অৰ্থ হৈছে মনক আনন্দ যোগোৱা৷ সেয়ে কবিতাটোৰ মাজেৰে কবিয়ে আজীৱন প্ৰেয়সীৰ অংগ আৰু অনুপ্ৰেৰণা বিচাৰি জীৱনক সুন্দৰ কৰাৰ আশংকা প্ৰকাশ কৰিছে৷ দেৱকান্ত বৰুৱা আছিল সম্পূৰ্ণৰূপে ব্যক্তিকেন্দ্ৰিক কবি৷ সেই হেতুকে ৰোমাণ্টিক যুগৰ শেষ কবি হ’লেও ৰোমাণ্টিক যুগৰ শেষ কবি হ’লেও তেওঁৰ কবিতাতেই ৰোমাণ্টিক আন্দোলনে পৰিপূৰ্ণতা লাভ কৰিছে৷

সহায়ক গ্ৰন্থপঞ্জীঃ

১/ তালুকদাৰ, নন্দঃ কবি আৰু কবিতা, বনলতা প্ৰকাশন, ষষ্ঠ প্ৰকাশ, ২০১৪৷

২/ বৰদলৈ, নিৰ্মলপ্ৰভাঃ কবিতামঞ্জৰী, গুৱাহাটী বিশ্ববিদ্যালয় প্ৰকাশন, অষ্টাদশ প্ৰকাশ, ২০২৩৷

৩/ শৰ্মা, সত্যেন্দ্ৰনাথঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, অৰুণোদয় প্ৰেছ, তৃতীয় প্ৰকাশ, ১৯৮৬৷

৪/ হাজৰিকা, কৰবী ডেকাঃ অসমীয়া কবিতা, বনলতা প্ৰকাশন, চতুৰ্থ সংস্কৰণ, ২০১২৷

বীৰুবালা ৰাভা

কণিকাবালা মণ্ডল,
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

বীৰুবালা ৰাভা –সাহসী তেজৰ এক উজ্জ্বল দীপশিখাঃ

পৃথিৱীৰ ইতিহাস চাব গ'লে দেখা যায় যে, সমাজৰ অগ্ৰগতিৰ পথটো সদায় সহজ নাছিল। বিশেষকৈ নাৰীসকলৰ ক্ষেত্ৰত, এই পথত আছিল অসংখ্য বাধা-বিপত্তি, কু-সংস্কাৰ, শোষণ, অপমান আৰু এক শ্বাশ্বত আহ্বান। তথাপি কিছুমান মহিলা এনে সাহসীকতাৰে আগবাঢ়ি আহিছে, যিসকলে কেৱল নিজৰ বাবে নহয়, সমগ্ৰ সমাজৰ সজাগতা আৰু বিবেক জগাই তুলিছে। এনে এগৰাকী সাহসী তথা সমাজ সংস্কাৰক হিচাপে বীৰুবালা ৰাভাৰ নাম অসম তথা ভাৰতবৰ্ষত জনসমাদৃত হৈছে।

জন্ম আৰু শৈশৱঃ

বীৰুবালা ৰাভাৰ জন্ম ১৯৫৪ চনত অসমৰ গোৱালপাৰা জিলাৰ থানাবাৰী গাঁৱত এজন দৰিদ্ৰ পৰিয়ালত হৈছিল। অত্যন্ত সৰল আৰু সীমিত উপায়েৰে গঢ়ি উঠা তেওঁৰ জীৱন যাত্ৰা কেতিয়াও সহজ নাছিল। অতি কম বয়সতে স্কুলৰপৰা পঢ়া এৰি দিবলগীয়া হ'ল, আৰু কম বয়সতে তেওঁৰ বিবাহ হ'ল। স্বামীৰ সৈতে পাঠশালাত কাম কৰি সংসাৰ চলাইছিল। যদিও শৈক্ষিকভাৱে উচ্চ শিক্ষিত নহয়, বীৰুবালাৰ চিন্তা-চেতনা, মনোবল আৰু মানুহৰ প্ৰতি থকা সহানুভূতিয়ে তেওঁক এক ব্যতিক্ৰমী সমাজ সেৱিকাৰ ৰূপত গঢ়ি তোলে।

কুসংস্কাৰৰ বিৰুদ্ধে যুদ্ধঃ

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বহু অঞ্চলত ডাইনী অপবাদ এখন ডাঙৰ সামাজিক সমস্যা। বিশেষকৈ গাঁও অঞ্চলত অসুখ-বেমাৰ, দুখ-দুৰ্দশা, মৃত্যুৰ দৰে ঘটনাৰ বাবে এজনী মহিলাক 'ডাইনী' বুলি অভিহিত কৰি তেওঁৰ ওপৰত মানসিক, শাৰীৰিক আৰু সামাজিক অত্যাচাৰ চলোৱা হয়। এই নিষ্ঠুৰ প্ৰথাৰ বিৰুদ্ধে বীৰুবালা ৰাভাই সাহসেৰে কণ্ঠ উজাৰি দিলেহি, বহুজনী মহিলাৰ জীৱন ৰক্ষা পায়।

তেওঁ প্ৰথমবাৰৰ বাবে এই সমস্যাটোৰ ভয়াবহতা বুজি পাইছিল যেতিয়া তেওঁৰ এক নিকট আত্মীয়ক 'ডাইনী' বুলি অভিযুক্ত কৰি গাঁওবাসীয়ে সামাজিক নিৰ্যাতন কৰিছিল। সেই দুখজনক ঘটনা তেওঁৰ মনত গভীৰভাৱে আঘাত সানে আৰু তেতিয়াৰেপৰা এই ভয়ংকৰ কু-সংস্কাৰৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ তেওঁ নিজৰ জীৱন উৎসৰ্গ কৰে।

'Mission Birubala' – এগৰাকী মহিলাৰপৰা আন্দোলনলৈঃ

বীৰুবালাই গঠন কৰে 'Mission Birubala' এখন সংগঠন যাৰ উদ্দেশ্য হ'ল কু-সংস্কাৰৰ বিৰুদ্ধে জনসচেতনতা সৃষ্টি, আইনগত সহায় প্ৰদান আৰু ডাইনী অপদেৱতা পীড়িত মহিলাসকলক মুক্ত কৰি তোলাৰ বাবে সমাজত এক বিকল্প সঁজুলি প্ৰদান কৰা। এই সংগঠনখনে অকল গুৱাহাটীতেই নহয়, গোৱালপাৰা, বঙাইগাঁও, ধুবুৰী আদি বিভিন্ন গাঁও সচেতনতা শিবিৰ, পথ নাট, বৈঠক, প্ৰচাৰ অভিযান ইত্যাদিৰ জৰিয়তে ডাঙৰ পৰিৱৰ্তন

আনিছে। বহুজনক আইনৰ সহায়ত ডাইনীৰ অপৰাধৰপৰা মুক্তি দিয়া হৈছে আৰু অপবাদ দিয়াসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

চৰকাৰী স্বীকৃতি আৰু পদ্মশ্ৰীঃ

বীৰুবালাৰ ত্যাগ আৰু সমাজৰ প্ৰতি কৰ্তব্যবোধৰ স্বীকৃতি স্বৰূপে ভাৰত চৰকাৰে ২০২১ চনত তেওঁক পদ্মশ্ৰী উপাধিৰে সন্মানিত কৰে। তাৰোপৰি তেওঁ বিশ্বজুৰি বিভিন্ন সংগঠনৰপৰা আনুষ্ঠানিক স্বীকৃতি লাভ কৰিছে।

বীৰুবালা ৰাভাৰ দৃষ্টিভংগী আৰু মনোভাৱঃ

বীৰুবালা ৰাভাই সদায় কৈ আহিছে-

"ডাইনী বুলি কোৱা হোৱা নাই, ডাইনী বুলি সৃষ্টি কৰা হয়।"

এই বাক্যটোৰ মাজতেই তেওঁৰ সমাজ বিজ্ঞান, জীৱন দৰ্শন আৰু আঘাতপ্ৰাপ্ত হৃদয়ৰ গভীৰ কথা ফুটি উঠে। তেওঁ বিশ্বাস কৰে- অশিক্ষিত, দৰিদ্ৰতা, জনসাধাৰণৰ অজ্ঞানতাই এই কুসংস্কাৰৰ মূল কাৰণ। এই বাবে তেওঁ সদায় সচেতনতা আৰু শিক্ষা প্ৰচাৰৰ ওপৰতে গুৰুত্ব দিয়ে। তেওঁৰ মতে, যদি গাওঁলৈ স্বাস্থ্যসেৱা, শিক্ষাৰ সুযোগ, সামাজিক সংহতি আৰু আইনী ব্যৱস্থাৰ সহায়তা অনা যায়, তেন্তে এই কু-সংস্কাৰ নিজেই বিলুপ্ত হ'ব। বীৰুবালাই একোটা বক্তৃতা সভাত বা সাক্ষাতকাৰত মানুহক সদায় সঁচা তথ্যৰ ওপৰত বিশ্বাস কৰিবলৈ উৎসাহ দিয়ে।

আজি বীৰুবালা ৰাভা কিয় প্ৰাসংগিকঃ

সময় আগবঢ়াৰ লগে লগে যদি সমাজত অশিক্ষা আৰু কু-সংস্কাৰ থাকে, তেন্তে বীৰুবালাৰ দৰে সাহসী মানুহৰ প্ৰয়োজন সদায় থাকিব। আজি বিজ্ঞানৰ যুগতো বহু গাঁওত ডাইনী অপবাদৰ ঘটনা সংঘটিত হয়। এনে পৰিস্থিতিত বীৰুবালাৰ দৰে মহিলাই আমাৰ সমাজৰ পোহৰ, যিয়ে অন্ধকাৰৰ আঁৰৰ দিশ দেখুৱায়। যিয়ে এটা সাধাৰণ গৃহিনী হোৱা স্বত্বেও নিজৰ চেষ্টাৰে সাহস আৰু সংকল্পৰে এখন বৃহৎ সামাজিক আন্দোলন গঢ়ি তুলিব পাৰে।

উপসংহাৰঃ

বীৰুবালা ৰাভা কেৱল এগৰাকী মহিলা সমাজসেৱিকা নহয়, তেওঁ এক চেতনা, এক অনুপ্ৰেৰণা, এক আন্দোলন, তেওঁ দেখুৱাইছে যে সাহস আৰু সঁচা মনোবল থাকিলে সমাজৰ গভীৰতম সমস্যাও সমাধান কৰিব পাৰি। 'Mission Birubala' কেৱল এটি সংগঠন নহয়, সেয়া এক জীৱন্ত প্ৰতিবাদ, সমাজত চলি থকা এক অন্যায়, কু-সংস্কাৰ আৰু অজ্ঞানতাৰ বিৰুদ্ধে। আমাৰ বিদ্যালয়, মহাবিদ্যালয়, গাঁও অঞ্চলত যদি বীৰুবালাৰ আদৰ্শ আগবঢ়োৱা যায়, তেন্তে ভৱিষ্যত প্ৰজন্ম অধিক যুক্তিবাদী, সদয়, প্ৰতিবাদশালী আৰু সহানুভূতিশীল হ'ব। বীৰুবালা ৰাভাৰ দৰে ব্যতিক্ৰমী ব্যক্তিত্বক স্মৰণ কৰি আমি সকলোৰে সমাজৰ বেয়া দিশৰ বিৰুদ্ধে আগবাঢ়ি যোৱা উচিত কিয়নো সঁচা চৰিত্ৰ কেতিয়াও নোহোৱা নহয়, সেয়া পোহৰৰ দৰে সদায় জ্বলি থাকে।

............................

বাঁশ পূজা

-ভূমিকা ৰায়

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান শাখা)

বাঁশ পূজা হ'ল প্ৰাচীন কালৰে পৰা চলি অহা কোচ ৰাজবংশী সকলৰ গোষ্ঠীগত পূজা। এই পূজা বিশেষকৈ কেচাইখাইতী বা ঠাকুৰাণী আইক কেন্দ্ৰ কৰি কৰা হয়। কালক্ৰমত শ্ৰী শ্ৰী কেচাইখাইতী বা ঠাকুৰাণী আইৰ পৰা শ্ৰী শ্ৰী ভগৱতী আই হিচাবে পূজা ভাগ কৰা হয়। অতীজৰে পৰা প্ৰচলিত মতে বাঁশ পূজা আৰম্ভ হোৱা কিছুদিন আগৰে পৰা দেউৰীসকলে গাঁওৰ বাঁহনি বাৰীত "মামা –ভাগিন" বাঁহ (অৰ্থাৎ এনেকুৱা এযোৰ বাঁহ একেলগে গজালি ওলাই গাঁঠিবোৰ একে সমান হ'ব লাগে আৰু একে সমান ওখ, একে ফালে হালি থকা হ'ব লাগে) বিচাৰি উলিয়াই পূজাৰ আগদিনা সন্ধিয়া জাগৰণ কৰি থোৱা হয়।

পূজাৰ দিনা দিনৰ আগভাগত অৰ্থাৎ দিনৰ বাৰ বজাৰ আগতে দেউৰী সকল গাঁৱৰ ৰাইজে ঢোলে-ডগৰে গৈ মামা –ভাগিন বাঁহ যোৰাক পৰম্পৰাগত ভাৱে পূজা-পাতল কৰি কটা হয়। লগতে সেই বাঁহনিৰ পৰা প্ৰয়োজনীয় বাঁহখিনিও কাটি অনা হয়। এই পূজাত পৰম্পৰা নিয়ম অনুসৰি ১৭-১৮ ডাল বাঁহৰ নিচান বনোৱা হয়। নিচানবোৰৰ মূৰত চোঁৰৰ বান্ধি নিৰ্দ্দিষ্টভাৱে কাপোৰ মেৰিয়াই নিচান বনোৱা হয়। নিচানবোৰৰ কাপোৰৰ ৰং আৰু চোঁৰৰৰ ৰং অনুসৰি দেৱ-দেৱীৰ নাম ৰখা হয়। এই নিচানবোৰৰ নাম (পৰম্পৰা অনুসৰি) বুঢ়া বাবা, চেঙেৰা বাবা, পাগালা বাবা, শ্যামা কালী, বামা কালী, দক্ষিণা কালী, ৰুদ্ৰ কালী, কেচাইখাইতী, ভদ্ৰ কালী, শ্মশান কালী, মশান কালী, ইত্যাদি নাম দি পূজা অৰ্চনা কৰা হয়। শ্ৰী শ্ৰী কেচাইখাইতী আইৰ থানত বা মন্দিৰত কোনো ধৰণৰ প্ৰতিমা নাথাকে। পূৰ্বৰে পৰা স্থাপন কৰা মাটিৰ ধিপ বা ধাপসমূহক দেৱ-দেৱীৰ নাম অনুসাৰে পূজা কৰা হয়। এই পূজা ভাগ বছৰৰ প্ৰথম ভাগত অৰ্থাৎ ব'হাগ নাইবা জেঠ মাহত অনুষ্ঠিত কৰা হয় কাৰণ এই পূজা ভাগ সম্পূৰ্ণ কৃষিভিত্তিক। গাঁৱৰ ৰাইজে এই পূজা ভাগ কৰাৰ পিছতহে খেতি পথাৰত নামে। এই পূজাত এজন বিশেষ ব্যক্তি থাকে তেখেতক আমি দেওঁধা বুলি কওঁ। তেখেতে সাধনা আৰু মন্ত্ৰৰ জৰিয়তে দেওঁধা উঠি দেৱ-দেৱীসকলৰ ৰূপ লৈ গাঁওখনৰ ৰোগ-ব্যাধি, মাৰি-মাৰক, অপায়- অমংগলৰ অপদেৱতাবোৰক গাঁওখনৰ পৰা খেদি পঠিওৱা হয় বুলি লোকবিশ্বাস আছে। পূজাত গাঁওখনৰ বা ৰাইজৰ খেতি-বাতি যাতে নদন-বদন হয়, গৰু, মানুহকে আদি কৰি সকলো জীৱ- জন্তু, মাছ-কাছ আদি ভালে-কুশলে থাকে তাৰ বাবে পূজাৰ কেইদিন গাঁওৰ ৰাইজে সম্পূৰ্ণভাৱে নিৰামিষ ( আলু সিদ্ধ ভাত) আহাৰ গ্ৰহণ কৰি দেৱ- দেৱীক ৰাধনা কৰা হয়। বাঁশ পূজাৰ কোনো নিৰ্দ্দিষ্ট তিথি বা তাৰিখ নাথাকে। গাঁৱৰ ৰাইজে ৰাইজৰ সুবিধা সঅনুসৰি পূজা ভাগ পতা হয়। পূজা ভাগ তিনিদিনৰ পৰা পাঁচদিনলৈকে পতা হয়। পূজাৰ শেষৰ দিনা ৰাতি বাৰ বজাৰ পিছত দেওঁধাই অপশক্তি, অপদেৱতা, ৰোগ-ব্যাধি, মাৰি-মাৰক আদিক তেখেতৰ সাধনা বলত মাতি আনি সাজি থোৱা কলৰ ভেলাত সুমুৱাই অতীজৰ নিয়ম অনুসাৰে নদীত কলৰ ভেলাখন উটুৱাই দিয়া হয়।

...............


জটিল ৰোগ


-ছায়ামণি ৰায়,
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ ( বাণিজ্য শাখা)

পলৰ দেউতাক বৰ চহকী আছিল। মাক-দেউতাকৰ লগতে ঘৰখনৰে সি অতি মৰমৰ আছিল। সি যি বিচাৰে তাকে দিয়ে। তাক কোনো বস্তুৰ অভাৱ হ'বলৈ নিদিয়ে। এইদৰে আদৰ পাই লগ সংগৰ লগত থাকি লাহে লাহে বেয়া হ'বলৈ ধৰিলে। সি বৰ্তমান নিচাজাতীয় বস্তুও সেৱন কৰা হৈছে। প্ৰথম অৱস্থাত সি বহুত ভাল ল'ৰা আছিল। কিন্তু এতিয়া সি স্কুললৈ যাবলৈ মন নকৰে, কিতাপো নপঢ়ে। সি অলপ সময়ো ঘৰত নাথাকে। পলে মদ খাবলৈ তেওঁলোকৰ ঘৰৰ পৰা পাঁচ কিলোমিটাৰ মান দূৰত অৱস্থিত এখন দোকানলৈ যায়। সেই দোকানখনৰ দোকানীজন সিমান ভাল নহয়। এইদৰে প্ৰায় এবছৰ ধৰি সি ঘৰত বনোৱা বস্তু নাখায়, কেৱল বাহিৰত গৈ নিচা দ্ৰব্য সেৱন কৰে। এনেদৰে সি এদিন ঘৰত গৈ থাকোঁতে হঠাতে ৰাষ্টাত বাগৰি পৰিছিল। সেই সময়তে পলৰ দেউতাক বজাৰৰ পৰা আহি আছিল আৰু তাক ৰাষ্টাত দেখি ঘৰলৈ লৈ আহিল। তেওঁৰ শৰীৰটো একেবাৰে দুৰ্বল হৈ পৰিছিল। দেউতাকে তাক এখন হাস্পাতাললৈ লৈ গ'ল। সকলো ডাক্তৰে তাৰ শৰীৰটো পৰীক্ষা কৰিলে কিন্তু তাৰ বেমাৰটোৰ বিষয়ে একো ক'ব নোৱাৰিলে। বহুত হাস্পাতালত ঘূৰিও তাৰ শৰীৰত হোৱা ৰোগটোৰ বিষয়ে কোনেও ক'ব নোৱাৰাত ভাগৰি পৰিল। এইদৰে এমাহ পাৰ হ'ল। এদিন পলে ক'লে, "দেউতা, মই তোমাক বহুত কষ্ট দিলোঁ, তুমি দুখ নকৰিবা। মই এতিয়াৰে পৰা ভাল ল'ৰা হ'ম, মই তোমাৰ কথা শুনিম, কিতাপ পঢ়িম।" এইবুলি সি দেউতাকক সাৱটি ধৰি কান্দিবলৈ ধৰিলে। এনেতে অলপ সময় পিছত কাহি কাহি লাহে লাহে অধিক দুৰ্বল হৈ পৰিল আৰু অলপ সময় পিছতে সি সকলোৰে পৰা বিদায় মাগিলে।

.......................

# কবিতা শিতান





মাতৃভাষা মোৰ অসমীয়া

-অভিনাশ ৰায়
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

অসমীয়া !
সঁচাকৈ কিমান যে ধুনীয়া অসমীয়া শব্দটো,
তাৰে সৈতে অসমীয়া হৃদয়স্পৰ্শকাৰী ভাষাটো।
যি অসমীয়া ভাষাই অসমৰ নানা জাতি-গোষ্ঠীক
কৰিছে মিলিত।
অসমীয়া ভাষা নহ'লে যে অসমৰ জাতি-জনগোষ্ঠী
হ'লহেতেন আজি বিচ্ছুৰিত।
অসমীয়া ভাষা হৈছে শক্তিশালী অবিনাশী,
তথা মিলন- বন্ধন ধৰি ৰখা সূঁতি
অতি গৌৰৱান্বিত অনুভৱ কৰোঁ যে অসমৰ
পৱিত্ৰ ভূ-পৃষ্ঠত জন্ম হ'লোঁ।
অসমীয়া বিনন্দীয়া ভাষা হওক যেন স্বয়ং
মনত এটা বিশুদ্ধ অনুভূতি উৎপন্ন হয়।
আজি মই অতি সাহসেৰে ক'ব পাৰোঁ যে
মই এজন বিশুদ্ধ অসমীয়া।
হয়, মোৰ মাতৃভাষা অসমীয়া।

........................

# অনুভূতিৰ সুৰ

-ইনজামুল হক চৌধুৰী
স্নাতক পঞ্চম ষান্মাসিক (বাণিজ্য শাখা)

কেতিয়াবা ভাবোঁ মই, কিয় এনেকুৱা হয় ?
এই পৃথিৱীত যেন ময়েই অকলশৰীয়া।
হয়তো নহ’ব পাৰে সকলো আশা পূৰণ,
সলনি হ’ব পাৰে বিধাতাৰ উপহাৰৰ বৰণ।

তথাপিও পখিলাৰ পাখিৰ ৰং সানি,
তুমিয়েই লিখা মোৰ জীৱনৰ কাহিনী।
য’ত বেদনাৰ আখৰো ৰূপ লয় গীতি- কবিতাৰ,
আৰু নিঃসংগতা ৰূপান্তৰ হয় এটা প্ৰাৰ্থনাৰ।

ৰাতিৰ তৰাবোৰে কঢ়িয়াই তোমাৰ বাতৰি,
পুৱাৰ শিশিৰতে সানি যায় মোৰ চকুপানী।
মই যেতিয়া হেৰুৱাওঁ নিজকে আন্ধাৰত,
তুমিয়েই মোক বিচাৰি আনা পোহৰৰ পথত।
.........

মোৰ অসম

ইনজামুল হক চৌধুৰী
স্নাতক পঞ্চম ষান্মাসিক (বাণিজ্য শাখা)

পাহাৰে কুঁৱলী সানি,
নদীয়ে গীত গায়।
ধাননিৰ হাঁহি মেলি
সেউজী অসম ৰয়।


জিলিকে বোকা চৰাই,
ফুলে ফুলে সুগন্ধ
মাটিৰ মায়া সোঁতৰ
মোৰ অসম আনন্দ।

.....................

## নিশা

-আয়সা ছিদ্দিকা
স্নাতক পঞ্চম ষান্মাসিক ( বাণিজ্য শাখা)

নিশাৰ এন্ধাৰত
গভীৰ হৈ উজ্জ্বলিছে
গভীৰ ৰাতি জাগি আছোঁ
তোমাক জোনাকীৰ আঁৰত
দেখিবৰ বাবেহে
দেখা পালোঁ
মাথোঁ অকল
জোনাকত তৰাৰ
তিৰ্ বিৰ্ ণি ।
তথাপিও মন
ভৰপূৰ হৈ উঠিল
তোমাক চন্দ্ৰত
চন্দ্ৰ হৈ থকা
যেন অনুভৱ কৰিলোঁ।
.......................



## হৃদয়ৰ সুৰ

মনমিতা চৰকাৰ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

চকুলো বৈ যায় নৈৰ পানীৰ দৰে,
হৃদয় যে মোৰ দুখেৰে ভৰা,
শান্তি বিচাৰি ফুৰোঁ অকলে,
কিন্তু দুখ যে মোৰ সংগী হৈ থাকে।

মোৰ মনে ভাবে...
একাকীত্বৰ বেদনা সদায় মোৰ সংগী,
চকুৰপৰা বৈ যায় পানী,
কোনোবা এজন সুখৰ সংগী বিচাৰি।

.....................

# মা

পাৰোমিতা বিশ্বাস
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

মা
জন্ম দিলা তুমি,
লালন পালনো কৰিলা,
হিয়া উজাৰি মৰম কৰিলা ’মা’
’মা’ তুমি যে এই পৃথিৱীৰ ভগৱান।


তোমাৰ কাৰণে আজি আমি
এই পৃথিৱী দেখিলোঁ।
’মা’ তুমি নহ’লে
এই পৃথিৱীখন আধৰুৱা অ’ মা।
......................

# জীৱনৰ উপলব্ধি

অম্বিকা বৰ্মণ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

জীৱনত যি দেখিলোঁ
যি শিকিলোঁ জীৱনত
সেয়া অভিজ্ঞতা নে জীৱনৰ প্ৰৱণতাক হিয়া উপচাই ভালপোৱা...
সময় পাৰ হৈ যায়
নৈৰ সোঁতৰ লগত যাৰ কেতিয়াও সমাপ্তি নাই।
গতিকে ব'লা আমি আগবাঢ়োঁ
যদি সম্ভৱ সময়ৰ প্ৰেক্ষাপটত খোজ মিলাই।

সুখ লাগিব সিমানখিনি যেতিয়া দুখবোৰ অৰ্থহীন নহয়,
সপোন থাকিব সিমানখিনি যিমানখিনি হয়তো বাস্তৱত অস্বাভাৱিক,
কিন্তু আশা কৰিবা নিৰাশাৰ বিপৰীতে,
আৰু...
জীৱন মানেই উপলব্ধি এয়াই...
সফলতা আহে যেতিয়া হৃদয়খন কন্দুৱায়,
হাঁহিৰ অন্য এটি নাম পৰিশ্ৰম ক'লেও হয়তোবা ভুল নহয়।
ব্যৰ্থতাৰ আৰম্ভণি তেতিয়াৰপৰাই হয়
যেতিয়া আমি উপলব্ধি কৰোঁ।
জীৱনটো সহজ নহয়।
....................



# বিপ্লৱী অসম, প্ৰাণৰ অসম

-প্ৰিয়া ৰায়
স্নাতক পঞ্চম ষান্মাসিক (বাণিজ্য শাখা)

এয়া আমাৰ বিপ্লৱী অসম
এয়া আমাৰ প্ৰাণৰ অসম
য'ত আছে চিলাৰায়ৰ
দেশপ্ৰেমৰ কাহিনী,
য'ত আছে মূলাগাভৰুৰ
বীৰাংগনাৰ জয়গান।
য'ত শংকৰদেৱে কৰিছে
বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ
ৰচিছে য'ত কীৰ্তনঘোষা
নামঘোষাৰ দৰে
অমূল্য ধৰ্ম গ্ৰন্থ।
য'ত একত্ৰিত হৈ সকলো
জাতি-জনগোষ্ঠীয়ে গঢ়িছে
এখন বৈচিত্ৰ্যময় অসম।
য'ত ভৰি আহে
মাতৃত্বৰ স্নেহ।
কৃষি, চহকী আমাৰ এই দেশ
এয়াই আমাৰ মৰমৰ দেশ।
.......................

# মা

পাৰোমিতা বিশ্বাস
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

মা
জন্ম দিলা তুমি,
লালন পালনো কৰিলা,
হিয়া উজাৰি মৰম কৰিলা ’মা’
’মা’ তুমি যে এই পৃথিৱীৰ ভগৱান।

তোমাৰ কাৰণে আজি আমি
এই পৃথিৱী দেখিলোঁ।
’মা’ তুমি নহ’লে
এই পৃথিৱীখন আধৰুৱা অ’ মা।
.....................


# জীৱনৰ উপলব্ধি

অম্বিকা বৰ্মণ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান শাখা)

জীৱনত যি দেখিলোঁ
যি শিকিলোঁ জীৱনত
সেয়া অভিজ্ঞতা নে জীৱনৰ প্ৰৱণতাক হিয়া উপচাই ভালপোৱা...
সময় পাৰ হৈ যায়
নৈৰ সোঁতৰ লগত যাৰ কেতিয়াও সমাপ্তি নাই।
গতিকে ব'লা আমি আগবাঢ়োঁ
যদি সম্ভৱ সময়ৰ প্ৰেক্ষাপটত খোজ মিলাই।

সুখ লাগিব সিমানখিনি যেতিয়া দুখবোৰ অৰ্থহীন নহয়,
সপোন থাকিব সিমানখিনি যিমানখিনি হয়তো বাস্তৱত অস্বাভাৱিক,
কিন্তু আশা কৰিবা নিৰাশাৰ বিপৰীতে,
আৰু...
জীৱন মানেই উপলব্ধি এয়াই...
সফলতা আহে যেতিয়া হৃদয়খন কন্দুৱায়,
হাঁহিৰ অন্য এটি নাম পৰিশ্ৰম ক'লেও হয়তোবা ভুল নহয়।
ব্যৰ্থতাৰ আৰম্ভণি তেতিয়াৰপৰাই হয়
যেতিয়া আমি উপলব্ধি কৰোঁ।
জীৱনটো সহজ নহয়।
....................

# চিত্রকলা শিতান






# FLAMINGO

Name- Rashmi Das
B.com 6th sem




ধন্যবাদ